Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# Using local resources

# স্থানীয় সমলৰ ব্যৱহাৰ





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 LL10v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটত আপুনি ভাষা আৰু সাক্ষৰতাৰ শ্ৰেণীকোঠাত পাঠ্যপুথিৰ সহায়ক হিচাপে ব্যৱহাৰ কৰিবলৈ সহজে পোৱা স্থানীয় সমলসমূহ সযত্নে বিচাৰ কৰিব। এই সমলসমূহ লিখনিসমৃদ্ধ পৰিৱেশ, সমাজৰ লোকৰ লগত কথোপকথন আৰু আলোচনা উপযোগী স্থানীয় পৰিৱেশৰ হ'ব পাৰে। সেয়েহে, এই সমলবোৰৰ সুবিধা হৈছে ই ভাষাৰ যথাৰ্থ ব্যৱহাৰক প্ৰতিনিধিত্ব কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ মনত ভাষাৰ সঠিক ব্যৱহাৰৰ ভাব সৃষ্টি কৰে।

## এই গোটটোত কি শিকিব পাৰিব (What you can learn in this unit)

- ভাষাৰ প্ৰতি সজাগ কৰা কাৰ্যত আপুনি কেনেকৈ ছপাভিত্তিক সামগ্ৰীবোৰ মুকলিভাৱে ব্যৱহাৰ কৰিব।
- শ্ৰেণীকোঠালৈ এজন অতিথিক সমল ব্যক্তি হিচাপে আনিবলৈ কিদৰে এলানি পাঠ পৰিকল্পনা কৰিব।
- ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু সাক্ষৰতাৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত তেওঁলোকৰ বিদ্যালয়লৈ অহাৰ যাত্ৰাটোক কেনেকৈ সমল হিচাপে ব্যৱহাৰ কৰিব।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনৰ লগত সংগতি থকা ব্যৱহাৰিক, উদ্দেশ্যপূৰ্ণ কামবোৰত যেতিয়া তেওঁলোকক ব্যস্ত ৰখা (Engage) হয় তেতিয়া তাৰ পৰা হোৱা শিকনেই তেওঁলোকৰ বাবে উৎকৃষ্ট শিকন হয়। শ্ৰেণীকোঠাৰ ভিতৰতেই হওক বা বাহিৰতেই হওক, ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ চেতনা আৰু উৎসুকতা বজাই ৰাখিব পৰা বিভিন্ন ধৰণৰ উদ্দীপকৰ প্ৰতি ভাল সঁহাৰি জনায়। বিদ্যালয়ৰ পাঠ্যপুথিয়ে শিকনৰ এই বহল পৰিসৰৰ সুযোগ দিব নোৱাৰে। সেয়েহে পৰিপূৰক কাৰ্য হিচাপে এনেবোৰ ওপৰঞ্চি কাম কৰাতো গুৰুত্বপূৰ্ণ। স্থানীয় পৰিৱেশত উভৈনদীকৈ পোৱা এনেবোৰ বিশ্বাসযোগ্য সমলৰ ব্যৱহাৰ কৰি আপুনি কেনেকৈ এই ওপৰঞ্চি ত্ৰিয়া-কলাপবোৰ কৰিব পাৰে তাকো এই গোটত দেখুওৱা হৈছে।

**সমল ১ ঃ 'Using local resources' ৰ পঠনেৰে আৰম্ভ কৰক।**

**ভি.ডি.অ' ঃ স্থানীয় সমলৰ ব্যৱহাৰ** (Using local resources)

## ১) ছপা ভিত্তিক স্থানীয় সমলবোৰ (1 Print-based local resources)

আপোনাৰ ভাষাৰ শ্ৰেণীকোঠাটোৰ মান উন্নত কৰিবৰ বাবে আপুনি ছপা ভিত্তিক স্থানীয় সমলবোৰ বিভিন্ন ধৰণেৰে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি আৰম্ভ কৰিব।

### ঘটনা অধ্যয়ন ১ ঃ ভাষা আৰু সাক্ষৰতাৰ শ্ৰেণীকোঠাত খাদ্যৰ পেকেটৰ ব্যৱহাৰ (Case Study 1 : Using food packaging in the language and literacy classroom)

দেবেন দাস নামৰ মঙ্গলদৈৰ শিক্ষক এজনে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেকৈ খাদ্য পেকেটৰ ব্যৱহাৰ কৰি ভাষাৰ বিকাশৰ প্ৰতি সচেতনতা গঢ়ি তুলিছিল তাৰ বৰ্ণনা কৰিছে।

পাঠ্যপুথিৰ উপৰি মোৰ শ্ৰেণীকোঠাত অলপ সমল আছে। যোৱা বছৰত মই উপলব্ধি কৰিছিলোঁ যে, ‑গান, খাদ্য পেকেটত থকা নিৰ্দেশনা আৰু খাদ্যৰ উপাদানৰ তালিকাৰে ভাষা ভিত্তিক ত্ৰি য়া-কলাপ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৰাব পৰা যাব।

সেয়েহে মই খালী, চাফা খাদ্যৰ পেকেট গোটাবলৈ আৰম্ভ কৰিছিলোঁ আৰু লগতে কাৰ্টুন (Cartons) আৰু টেমাও (Can) গোটাইছিলোঁ। মোৰ সম্পৰ্কীয় লোক আৰু ওচৰ-চুবুৰীয়া সকলকো এনেবোৰ বস্তু মোৰ বাবে থ'বলৈ কৈছিলোঁ। বহুতো পেকেটত ৰঙীন শব্দ, খণ্ডবাক্য আৰু ছবিৰে কথাবোৰ বৰ্ণনা কৰা আছিল (চিত্ৰ ১)




চিত্ৰ ১ ঃ খাদ্য পেকেটৰ ওপৰত থকা লিখনিৰ উদাহৰণ

এই পেকেটসমূহ মই শ্ৰেণীলৈ লৈ গৈছিলোঁ। এটা পেকেট এজন ছাত্ৰক দেখুৱাইছিলোঁ। এইটো এটা আমৰ পানীয়ৰ বাকচ (Carton) আছিল। মোৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই আমৰ ৰস আগতে খাইছিল বাবে চিনিব পাৰিছিল।

এই পানীয়ত কি কি উপাদান আছে বুলি তেওঁলোকে ভাবে বুলি মই ছাত্ৰ-ছাত্ৰীসকলক সুধিছিলোঁ। মই ছাত্ৰ এজনক স্বেচ্ছাই আগবাঢ়ি আহি পেকেটত লিখি থোৱা উপাদানবোৰৰ নাম পঢ়িবলৈ দিছিলোঁ Water (পানী), Mango (আম), Sugar (চেনী), Artificial Flavouring (কৃত্ৰিম সুগন্ধি), Preservative (সংৰক্ষণ কৰা বস্তু)। মই অন্য এজন ছাত্ৰক পেকেটৰ সন্মুখত থকা -গানটো পঢ়িবলৈ দিছিলোঁ 'For good health' (সু-স্বাস্থ্যৰ বাবে)। আমি উপাদানবোৰৰ বিষয়ে আলোচনা কৰিছিলোঁ আৰু -গান থকাৰ দৰেই তেওঁলোক স্বাস্থ্যবান হয় নে সেই কথাও আলোচনা কৰিছিলোঁ।

আমি বাকচত (Carton) থকা আন এটা লেখাৰ বিষয়ে বিচাৰ কৰি চাইছিলোঁ। পানীয়টো ঠাণ্ডাকৈ পৰিবেশন কৰিবৰ বাবে বাকচটোত নিৰ্দেশ লিখা আছিল আৰু এই বাকচটো ব্যৱহাৰৰ পাছত সাৱধানেৰে নষ্ট কৰিবলৈ (Disposed) লিখা আছিল। ইয়াত পোৱা মূল শব্দ আৰু খণ্ডবাক্যবোৰ মই বৰ্ডত লিখিছিলোঁ।

তাৰপাছত বিশেষণ পদ মনত আছেনে নাই ছাত্ৰ-ছাত্ৰীসকলক সুধিছিলোঁ। ব'ৰ্ডত লিখি থোৱা শব্দবোৰৰ পৰা পেকেটত থকা উদাহৰণ বাছি উলিওৱাত মই ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিছিলোঁ। এই শব্দবোৰ পেকেটত লিখি থোৱা শব্দৰ পৰাই লিখা হৈছিল। যেনে— Good (ভাল), Artificial (কৃত্ৰিম) আৰু Cold (ঠাণ্ডা) শ্ৰেণীত অতিৰিক্ত ঘৰুৱা ভাষাত কথা কোৱা ছাত্ৰ এজনক মাতি এই বিশেষণবোৰক তেওঁলোকৰ ঘৰুৱা ভাষাত কেনেকৈ কয় সুধিছিলোঁ।

তাৰপাছত মোৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক তিনিটা বা চাৰিটা সৰু দলত ভাগ কৰিছিলোঁ আৰু তেওঁলোকক দিয়া পেকেট বা বাকচ (Carton) পৰীক্ষা কৰিবলৈ দিছিলোঁ। পেকেটত লিখি থোৱা মূল শব্দ আৰু খণ্ডবাক্যবোৰ লিখিবলৈ, সেইবোৰৰ অৰ্থ আলোচনা কৰিবলৈ আৰু তাৰ মাজত থকা কোনো বিশেষণ পদ চিনাক্ত কৰিবলৈ দিছিলোঁ।

শেষত প্ৰতিটো দলৰ ভাগত পৰা পেকেটবোৰত থকা বিশেষণ পদবোৰৰ নাম কৈ লগতে সেই সময়খিনিত গোটেই শ্ৰেণীটোৱে কৰা কামৰ প্ৰতিপুষ্টিৰে সামৰণি মাৰিছিলোঁ। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে লিখি ল'ব পৰাকৈ মই এইবোৰ ব'ৰ্ডত তালিকা কৰিলোঁ। বিশেষণ পদ নহ'লেও এটা দুটা উদাহৰণ স্পষ্ট হ'বৰ বাবে সহায়কাৰী হ'ব বুলিয়ে লিখা হৈছিল।

দলবোৰৰ মাজত পেকেটবোৰ পুনৰ ভগাই দি মই কামটো কেইবাবাৰো কৰালোঁ। যি কি নহওঁক, মই ছাত্ৰ-ছাত্ৰীসকলক এবাৰ ত্ৰি য়া

পদ (Verb) ৰ ওপৰত আকৌ অন্য এবাৰ বিশেষ্য পদৰ (Noun) ওপৰত আলোকপাত কৰালোঁ। প্ৰত্যেকবাৰতে, আমৰ পানীয়ৰ পেকেটৰ পৰা শব্দবোৰ লৈ উদাহৰণ দিছিলোঁ। পেকেটত থকা উদাহৰণবোৰ চাবলৈ তেওঁলোকক কোৱাৰ আগতেই তেওঁলোকে সেইবোৰ চিনাক্ত (Allocated) কৰিলে।

প্ৰতিপুষ্টিৰ বেলিকা মোৰ ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ ধাৰণা স্পষ্ট কৰাটো যথেষ্ট মনোগ্ৰাহী হিচাপে প্ৰমাণিত হৈছিল। উদাহৰণস্বৰূপে ক্ৰি য়া পদৰ ক্ষেত্ৰত আমি মন কৰিছিলোঁ যে, এই ক্ৰি য়া পদসমূহে প্ৰায়ে Imperative ৰূপতহে ব্যৱহাৰ হৈছিল যেনে- (Serve আৰু dispose) আকৌ বিশেষ্য পদ (Noun) ৰ ক্ষেত্ৰত আমি মন কৰিছিলোঁ যে, কিছুমান আছিল একবচনত (Carton) আৰু কিছুমান আছিল বহুবচনত (Ingrediants), কিছুমান আছিল সাকাৰ আৰু স্পৰ্শনীয় অৰ্থাৎ চুব পৰা (Sugar or Water) কিছুমান আছিল বিমূৰ্ত বা মনোগত (Abstract) যেনে Health তথাপি এতিয়াও মোৰ ছাত্ৰ-ছাত্ৰীসকলে মাজে মাজে ঘৰৰ কিবা খাদ্য পেকেটত পোৱা Noun, Abjective নাইবা Verb আদি আনি মোক দেখুৱায়।

### চিন্তন (Pause for thought)

- দেবেন দাসৰ কামখিনিত ভাষা শিকনৰ কি সুযোগ আছিল?
- আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত খাপ-খোৱাকৈ ইয়াক আপুনি কেনেকৈ উপযোগী কৰি ল'ব নাইবা ইয়াক সম্প্ৰসাৰিত কৰিব?
- এনেধৰণৰ কামৰ বাবে অন্যান্য কি ছপাভিত্তিক সমল ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত হ'ব?

এই কামটোত পেকেটবোৰত থকা উপাদানৰ নামবোৰৰ বিষয়ে (যেনে- Noun) আৰু তাৰ বৰ্ণনাবোৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীয়ে কথা পাতিছিল (সেইটো- Adjectives) ছাত্ৰী-ছাত্ৰীৰ নিজৰ প্ৰিয় খাদ্য আৰু ৰন্ধনবিধিৰ ˊগান লিখিবৰ বাবে আপুনি ছাত্ৰ-ছাত্ৰীক ক'ব পাৰে। এইধৰণৰ কামৰ বাবে আপুনি ব্যৱহাৰ কৰিব পৰা অন্যান্য বহুতো সমল আছে যেনে— বাছৰ সময় তালিকা, চিনেমা টিকট বা আলোচনীৰ পৰা পোৱা বিজ্ঞাপন।

## ক্ৰিয়া-কলাপ ১ ঃ আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত ছপাভিত্তিক সমলৰ ব্যৱহাৰ (Activity 1: Using print-based resources with your students)

অসমীয়া পাঠ্যপুথিত আপুনি ভাষাৰ কোন কেইটা দিশ সামৰিব লাগিব সেইটো চিন্তা কৰক। এইবোৰ পঢ়াওঁতে আপুনি স্থানীয়ভাৱে পোৱা ছপা সমলৰ কেনেকৈ সহায় ল'ব অলপ ভাবক। এইবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কিমান সহায়ক হ'ব আৰু কিমান সহজলভ্য হ'ব সেই বিষয়েও ভাবক। খাদ্য পেকেটৰ বিকল্প হিচাপে যেনে-আলোচনীৰ পৰা বিজ্ঞাপন, কোনো বস্তুৰ উৎপাদন আৰু তাক তৈয়াৰ কৰা প্ৰক্ৰি য়াৰ নিৰ্দেশনা আৰু স্থানীয় ঘটনাৰ ঘোষণা কৰা প্ৰচাৰ পত্ৰিকা ব্যৱহাৰ কৰিব পাৰে।

ছাত্ৰী-ছাত্ৰীৰ দলবোৰৰ মাজত ভগাই দিব পৰাকৈ যথেষ্ট সংখ্যক উদাহৰণ সংগ্ৰহ কৰক। আপুনি আলোকপাত কৰিব বিচৰা ভাষাৰ বাবে ই গ্ৰহণীয় উদাহৰণ হয় নে নহয় সেইটো নিশ্চিত কৰিবলৈ সামগ্ৰীটো পৰীক্ষা কৰক।

আপোনাৰ পাঠৰ বিভিন্ন অংশ সময়ৰ লগত মিলাই উলিয়াই লওক। মনত ৰাখিব যে, আপোনাক কোনো কোনো দিনত সেই ক্ৰিয়া-কলাপটোকে সম্প্ৰসাৰিত কৰাৰ প্ৰয়োজন হ'ব পাৰে।

### চিন্তন (Pause for thought)

ক্ৰি য়া-কলাপটো কৰি উঠাৰ পাছত, এইটো কেনে হ'ল এবাৰ ভাবক।

- পাঠটোৰ জড়িয়তে ভাষা শিকনৰ কি আহৰণ কৰিছিল?
- ছাত্ৰ-ছাত্ৰীৰ কথন, শ্ৰৱণ, পঠন আৰু লিখন দক্ষতাক কিমানখিনিলৈকে আপুনি নিৰীক্ষণ আৰু মূল্যায়ণ কৰিবলৈ সক্ষম হ'ল?

## ২) বক্তৃতাভিত্তিক স্থানীয় সমল (2 Speech-based local resources)

ছাত্ৰ-ছাত্ৰীক শিকনত অৰিহণা যোগাব পৰাকৈ আপোনাৰ স্থানীয় এলেকাতো বহুত বক্তৃতা ভিত্তিক সমল আছে।

## ঘটনা অধ্যয়ন ২ ঃ কপাহী কাপোৰ বোৱা শিপিনীৰ লগত সাক্ষাৎ (Case Study 2: A visit from a cotton weaver)

হীৰা দেৱী হ'ল ডিব্ৰুগড়ৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেওঁৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আমন্ত্ৰণ কৰি অনা এগৰাকী অতিথি বক্তাৰ ভ্ৰমণৰ বিষয়ে ইয়াত বৰ্ণনা কৰিছে।

কপাহৰ উৎপাদনৰ বিষয়ে পাঠ্যপুথিত এটা পাঠ আছিল। আমাৰ গাঁৱত বোৱা-কটা কৰা শিপিনীৰ আৰু ছপা কাম কৰা এটা গোট আছিল। মই ভাবিছিলোঁ তেওঁলোকৰ মাজৰ পৰাই এজনক যদি মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ আগত তেওঁলোকৰ শিল্পৰ বিষয়ে ক'বলৈ নিও তেন্তে ই বৰ মনোগ্ৰাহী হ'ব।

এদিন স্কুল ছুটীৰ পাছত মই শিপিনীৰ গোটটোত গৈ ইয়াৰ মুখ্য শিপিনী অৰুণ দাসৰ লগত মই ভবা কথাটো আলোচনা কৰিলোঁ (চিত্ৰ-২) তেওঁ মোৰ কথাটোত খুউব ভাল পালে। মই অৰুণ দাসক মোৰ ছাত্ৰ-ছাত্ৰীৰ বয়সৰ বিষয়ে ক'লো আৰু কেনেকুৱা বস্তু তেওঁলোকে পছন্দ কৰে সেই বিষয়েও ক'লো। মই অৰুণ দাসক বিভিন্ন প্ৰকাৰৰ কাপোৰৰ চানেকি, বিভিন্ন প্ৰকাৰৰ ৰং আৰু তাঁতশালত ব্যৱহাৰ কৰা কিছুমান সৰু সৰু বস্তু যেনে মাকো এটা, মহুৰা এটা লগত লৈ যাবলৈ ক'লো যাতে তেওঁৰ বক্তব্যৰ মাজত সেইবোৰ দেখুৱাই যাব পাৰে।



চিত্ৰ ২ ঃ এগৰাকী শিপিনী

তাৰপাছত মই মোৰ ছাত্ৰ-ছাত্ৰীক অৰুণ দাসৰ আগমনৰ বিষয়ে জনালোঁ। ছাত্ৰ-ছাত্ৰীসকল খুউব উৎফুল্লিত হৈছিল। অৰুণ দাসৰ সাক্ষাতৰ সুবিধাৰ বাবে মই চাৰিটা ভাগত ছাত্ৰ-ছাত্ৰীসকলক ভগালোঁ। অৰুণ দাসৰ কামৰ বিষয়ে জানিব পৰাকৈ দুটা প্ৰশ্ন মই তেওঁলোকক যুগুত কৰিবলৈ ক'লো লগতে তেওঁলোকৰ অনুশীলনৰ বহীতো লিখি থবলৈ ক'লো। মই মন কৰিছিলোঁ যে, এই কাম কৰাৰ সময়খিনিত মোৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট কথা-বতৰাৰে অংশগ্ৰহণ কৰিছিল। এই আলোচনা বা কথা-বতৰাবোৰ কেৱল প্ৰশ্নৰ উত্তৰতেই সীমিত নাছিল। সেইবোৰ ভালকৈ লিখিবলৈকো যত্ন কৰিছিল।

যেতিয়া তেওঁলোকে এইখিনি কৰি শেষ কৰিলে, তেতিয়া মই দলটোৰ পৰা এজনক নিৰ্বাচন কৰি তেওঁলোকে সুধিবলগীয়া প্ৰশ্নসমূহ শ্ৰেণীত বাকী থকা ছাত্ৰ-ছাত্ৰীবোৰৰ লগত বিনিময় কৰিবলৈ কৈছিলোঁ। মই প্ৰশ্নবোৰ ব'ৰ্ডত লিখাৰ পৰিৱৰ্তে তেওঁলোকৰ আৰু কোনোবাই এনেকৈ প্ৰশ্ন সুধিব বিচাৰে নেকি সুধিছিলোঁ। বহুতেই প্ৰশ্ন সুধিবৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিল। মই ভৱিষ্যতৰ শ্ৰেণীত আনবোৰৰ বাবেও এনেকুৱা কৰাৰ সুযোগ দিবৰ বাবে চেষ্টা কৰাৰ প্ৰতিশ্ৰুতি দিছিলোঁ।

প্ৰতিপুষ্টিৰ শেষত, সম্ভাব্য প্ৰশ্নৰ আমি এখন দীঘল তালিকা প্ৰস্তুত কৰিছিলোঁ। একেধৰণৰ প্ৰশ্নসমূহ আমি একেলগে চিনাক্ত কৰণ কৰি বাতিল কৰিছিলোঁ আৰু বাকী থকা আঠোটা প্ৰশ্ন আমি সুন্দৰ অনুক্ৰমত সজাই তুলিছিলোঁ। শেষ কৰিবৰ বাবে মই ছাত্ৰ-ছাত্ৰীসকলক

প্ৰশ্নৰ চূড়ান্ত তালিকাখন বহীত লিখি ল'বলৈ দিছিলোঁ।

মোৰ কিছুমান ছাত্ৰই অৰুণ দাসক এটা প্ৰশ্ন সুধিবৰ বাবে আগ্ৰহী হৈ আছিল য'ত অন্য কিছুমানে আকৌ লাজ কৰিছিল। পঢ়াশুনাত ভাল বিশেষ ছাত্ৰ-ছাত্ৰীক অকলে প্ৰশ্ন সুধিবলৈ দিয়াৰ পৰিৱৰ্তে মই তেওঁলোক সকলোকেই পিছদিনা অৰুণ দাসক পোনপটীয়াকৈ সুধিবৰ বাবে প্ৰশ্ন প্ৰস্তুত কৰিবলৈ ক'লো। সেইদিনা গধূলি ছাত্ৰ-ছাত্ৰীসকলে এই ঘৰুৱা কাৰ্যটো (Homework) টো খুউব গুৰুত্বপূৰ্ণভাৱে কৰিছিল।

অৰুণ দাসৰ এই সাক্ষাৎ যথেষ্ট সফল বুলি প্ৰমাণ কৰিলে। অৰুণ দাসে বোৱা-কটাৰ কথাৰেই পাতনি মেলিলে। তেওঁ লগে লগে কাপোৰৰ চানেকী দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ সা-সৰঞ্জামবোৰ চুবলৈ দিলে। তাৰপাছত ইজনৰ পাছত সিজনক মাতি মাতি প্ৰশ্ন সুধিবলৈ ক'লে। প্ৰশ্ন সোধাতে ছাত্ৰ-ছাত্ৰীৰ কোনোবাজন যথেষ্ট দৃঢ় আৰু কোনোবাজন কম দৃঢ় আছিল। অৰুণ দাসে ইতিমধ্যে তেওঁলোকৰ পৰা আহিব পৰা কিছুমান প্ৰশ্নৰ উত্তৰ তেওঁৰ পাতনিতে কৈ গৈছিলেই। ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা তাৰে কিছুমান প্ৰশ্ন দীঘলো নাছিল। এজন নে দুজনে তেওঁক পৰিকল্পনা নকৰাকৈয়ে হঠাৎ প্ৰশ্ন সুধিছিল।

## চিন্তন (Pause for thought)

- ভাষা শিকনৰ ক্ষেত্ৰত কি আহৰণ কৰিছিল।
  - অৰুণ দাসৰ লগত সাক্ষাতৰ বাবে প্ৰস্তুতি কৰোঁতে?
  - অৰুণ দাসৰ সাক্ষাতৰ সময়ত?
- ছাত্ৰ-ছাত্ৰীয়ে সোধা কিছুমান প্ৰশ্ন যে অৱান্তৰ আছিল সেইটো এটা সমস্যা হ'ব পাৰে নেকি?

স্থানীয় বা বৃহৎ সমাজখনত এনেকুৱা বহুত মানুহ আছে যাক ছাত্ৰ-ছাত্ৰীসকলৰ মাজলৈ আনিব পাৰি, সেই লোকসকলৰ জ্ঞান, দক্ষতা আৰু অভিজ্ঞতাৰ বিষয়ে (বিশেষকৈ যিবোৰ শ্ৰেণীকোঠাত প্ৰযোজ্য হয়), কথা-বতৰা পাতিব পাৰি মতামত বিনিময় কৰিব পাৰি। উদাহৰণস্বৰূপে, স্থানীয় প্ৰশাসনৰ সদস্য, পুলিচ বিভাগৰ লোক, জিলা স্বাস্থ্য কৰ্মী, ওচৰৰ দোকানৰ কোনোবা দোকানী বা বজাৰত বহা দোকানী, শিল্পকৰ্মী, মেকানিক, শিল্পী, বাদ্যযন্ত্ৰ শিল্পী, খেতিয়ক বা ৰান্ধনী ইত্যাদি।

পিতৃ-মাতৃ বা ককাক-আইতাকে ইয়াত যথেষ্ট অৱদান আগবঢ়াব পাৰে। অতীতৰ বিষয়ে তেওঁলোকক সুধিলেই তেওঁলোকে ছাত্ৰ-ছাত্ৰীক সেই ঠাইখনৰ বুৰঞ্জী আৰু সংস্কৃতিৰ বিষয়ে বহুতো মূল্যৱান কথা ক'ব।

আপোনাৰ সহকৰ্মীৰ পৰামৰ্শ লওক আৰু কামত আগবাঢ়ক -

## ক্ৰিয়া-কলাপ ২ ঃ আপোনাৰ শ্ৰেণীলৈ এজন অতিথি বক্তাক নিমন্ত্ৰণ কৰক (Activity 2: Inviting a guest speaker into your classroom)

স্থানীয়ভাৱে কোনোবা এজন লোকক শ্ৰেণীলৈ অনাৰ পৰিকল্পনা কৰক। ফোনত বা লিখিতভাৱেও তেওঁলোকক নিমন্ত্ৰণ কৰিব পাৰে। তেওঁলোকে যদি সন্মত হয়, তেনেহ'লে কেনেকুৱা ধৰণৰ বস্তুৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আগ্ৰহী হ'ব পাৰে তাৰ ভিত্তিত পুংখানুপুংখভাৱে আলোচনা কৰক। সাক্ষাতৰ বাবে এটা তাৰিখ ঠিক কৰক।

অতিথিগৰাকীৰ বিদ্যালয়লৈ আগমনৰ বিষয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক আগতীয়াকৈ জনাওক আৰু অতিথিজনক সুধিবলৈ প্ৰশ্ন প্ৰস্তুতৰ বাবে অলপ সময় আছুতিয়াকৈ দিয়ক। **(২ নং ঘটনা অধ্যয়ন চাওক)**

অতিথি বক্তাৰ সাক্ষাতৰ সময়ত কেনেকুৱা ধৰণৰ কাম উপযোগী হ'ব সেই বিষয়ে আগলৈকে ভাবি থওক। অতিথি বক্তাৰ বৃত্তিৰ লগত মিলাই নতুন শব্দ ছাত্ৰ-ছাত্ৰীয়ে শিকিবৰ বাবে আপুনি তেওঁলোকক কেনেকৈ উদ্‌গনি দিব। উদাহৰণ?

কাম বা বক্তব্যৰ শেষত ছাত্ৰ-ছাত্ৰীয়ে যাতে বক্তাজনক ধন্যবাদ জনাই এখন পত্ৰ দিয়ে সেইটো আপুনি নিশ্চিত কৰক।

## চিন্তন (Pause for thought)

- অতিথি বক্তাৰ সাক্ষাতৰ ফলস্বৰূপে ভাষা শিকনৰ কি সুযোগ দৃষ্টিগোচৰ হ'ল?
- সাক্ষতাৰ পাছত কিধৰণৰ অনুগামী কাম আপুনি ছাত্ৰ-ছাত্ৰীৰ লগত কৰিব পাৰিলে?

এনেকুৱা সাক্ষাতৰ কথাবোৰ ব্যক্তি বা গোটত (Group) লিখিত কাৰ্য হিচাপে কৰাব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অনুশীলনৰ বহীত সাক্ষাতৰ বিষয়ে বিস্তৃতভাৱে লিখিব পাৰিব। বিকল্প হিচাপে অতিথি বক্তাৰ কামৰ বিভিন্ন তথ্যৰে সমৃদ্ধ কৰি ‘a day in the life’ নামেৰেও বৰ্ণনাত্মক কিবা লেখিব পাৰে। নিজৰ অতীতৰ বিষয়ে কোৱা অতিথিৰ ক্ষেত্ৰত, ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানৰ লগত তুলনা কৰিও চমুকৈ লিখিব পাৰে।

শ্ৰেণীলৈ অতিথি বক্তা অনাৰ বিকল্প হিচাপে ডাঙৰ ছাত্ৰ-ছাত্ৰীসকলক স্থানীয় সমাজৰ কোনো ব্যক্তিক নিৰ্বাচন কৰি তেওঁলোকৰ কথা-বতৰা সম্ভৱ হ’লে মোবাইল ফোন বা অন্য কৌশলেৰে অডিঅ’ ৰেকৰ্ডিং কৰাৰ বাবে উৎসাহিত কৰিব পাৰে। ব্যক্তিৰ এলানি সাক্ষাতকালৰ প্ৰশ্নৰ উত্তৰবোৰ একেলগ কৰি এটা নিৰ্দিষ্ট উদ্দেশ্যৰে ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় বিষয় বা সমস্যাৰ লগত মিলাই এটা শ্ৰেণী প্ৰকল্প প্ৰস্তুত কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে কৰা কামৰ কিছুমান স্থানীয় বাতৰি কাকতত প্ৰকাশ কৰিব পাৰে নেকি বুলি আপুনি কাৰোবাক অনুৰোধ কৰি চাব পাৰে।

অতিথি বক্তাৰ বক্তব্য বা সাক্ষাতৰ পুনৰালোচনাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে অভিনয় কৌশলো ব্যৱহাৰ কৰিব পাৰে। এজন সাক্ষাত দিওঁতা আৰু এজন সাক্ষাৎ লওঁতা হৈ যুটীয়া কাৰ্য হিচাপেও ইয়াক কৰিব পাৰে। অভিনয়ৰ বাবে কোনো চিত্ৰনাট্য থাকিব নালাগে নতুবা আগতে লিখিব নালাগে। তেওঁলোকে স্কুলৰ ভিতৰত নতুবা শ্ৰেণীৰ সহপাঠীৰ লগত অভিনয় কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ এই অভিনয় কলা ধৰি ৰাখিবৰ বাবে ফটো, শ্ৰব্য বা অডিঅ’ ৰেকৰ্ডিং নাইবা ভিডিঅ’ (দৃশ্য সঁজুলি) ৰেকৰ্ডিং অতি সুন্দৰ উপাই হ’ব পাৰে।

অভিনয়ৰ বিষয়ে অতিৰিক্ত জানিবৰ বাবে ‘Storytelling, Songs, Role play and Drama’ মুল সমল পঢ়ক।

**ভি.ডি.অ’. ঃ কহিনী সাধু পঠন, গান, অভিনয়, নাটক** (Video: Storytelling, songs, role play and drama)

**চিন্তন** (Pause for thought)

ওপৰত কৰা ক্ৰিয়া-কলাপৰ পুনৰালোচনা কৰক

- প্ৰত্যেককে ‘S’ ‘L’ ‘R’ আৰু ‘W’ বৰ্ণৰে চিহ্নিত কৰক যাতে তেওঁলোক কথন শ্ৰৱণ, পঠন বা লিখনত নাইবা সকলোবোৰ দক্ষতাক একত্ৰিত কৰি জড়িত হ’ব পাৰে।
- এই ক্ৰিয়া-কলাপক আৰু কি দক্ষতাৰ বাবে ব্যৱহাৰ কৰিব পাৰি?

## ৩) বিদ্যালয়ৰ চৌপাশৰ স্থানীয় সমল (3 Local resources around the school)

বিদ্যালয়ৰ চৌপাশৰ পৰিৱেশত ভাষা আৰু সাক্ষৰতা শিকনৰ বহুতো সুযোগ আপুনি উলিয়াব পাৰে।

### ঘটনা অধ্যয়ন ৩ ঃ বিদ্যালয়লৈ যাত্ৰা (Case Study 3: The journey to school)

মাণিক বৰাই মৰিগাবঁৰ এখন প্ৰাথমিক বিদ্যালয়ত চতুৰ্থ আৰু পঞ্চম শ্ৰেণীত পঢ়ুৱায়। ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ যোৱা কামটোকে এটা কথা-বতৰা সম্পৰ্কীয় ক্ৰিয়া-কলাপ হিচাপে তেওঁ কেনেকৈ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিছিল তাকেই ইয়াত বৰ্ণনা কৰিছে।

মই বিদ্যালয়লৈ গতানুগতিকভাৱে অহা-যোৱা কৰাৰ কথাৰেই ছাত্ৰ-ছাত্ৰীৰ আগত শ্ৰেণীত বিষয়টো আৰম্ভ কৰিছিলোঁ। মই কি ক’ম সেই বিষয়ে মই কিছুমান টোকা লিখি অনুশীলন কৰিছিলোঁ যাতে ই পৰ্যাপ্তভাৱে মনোগ্ৰাহী হয়। মই কথাবোৰ লাহে লাহে আৰু স্পষ্টভাৱে কৈছিলোঁ, তাৰ লগে লগে যিমান পাৰি ভাব প্ৰকাশৰো চেষ্টা কৰিছিলোঁ। মাজে মাজে বৈ দিছিলোঁ আৰু সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে কথাবোৰ ধৰিব পাৰিছেনে নাই সেইটো মন কৰিছিলোঁ।

মই ক’ৰ পৰা স্কুললৈ যাত্ৰা আৰম্ভ কৰিছিলোঁ, ঘৰৰ পৰা কেই বজাত ওলাইছিলোঁ, ঘৰৰ পৰা স্কুল পাওঁতে সাধাৰণতে কিমান সময় লাগে, মই কি বাহন ব্যৱহাৰ কৰিছিলোঁ, ৰাস্তাত কি কি বস্তু, ঘটনা দেখিছিলোঁ, কি আকৰ্ষণীয় বস্তু দেখিছিলোঁ, মই প্ৰায়ে কাক দেখা পাওঁ, কাৰ লগত মই সাধাৰণতে কথা পাতোঁ আৰু মই কি ভাৱে কথা পাতোঁ এই সকলোবোৰ কথাই মই উল্লেখ কৰিছিলোঁ। মোৰ যাত্ৰাত ঋতুৰ পৰিৱৰ্তনে পেলোৱা প্ৰভাৱৰ বিষয়ে (যেনে— বেলেগ বেলেগ বাহনৰ ব্যৱহাৰ আৰু প্ৰাকৃতিক পৰিৱৰ্তন) কৈ মোৰ

বিবৰণীৰ সামৰণি মাৰিছিলোঁ।

মই এজন বা দুজন ছাত্ৰক তেওঁলোকে বিদ্যালয়লৈ কৰা যাত্ৰাৰ এটা দুটা কথা সুধি বিষয়টো আগবঢ়াই নিছিলোঁ। তাৰপাছত পাছদিনা পুৱা সকলোকে বিশেষ মনোযোগেৰে বিদ্যালয় যাত্ৰাটো কৰিবলৈ ক'লো।

পাছদিনা মই শ্ৰেণীটোক চাৰিটা ভাগত ভাগ কৰি দিলোঁ আৰু ইজনে সিজনৰ আগত তেওঁলোকৰ বিদ্যালয় যাত্ৰাৰ কথা ক'বলৈ দিলোঁ। লগতে তলত দিয়া প্ৰশ্নকেইটা স্মাৰক হিচাপে সন্নিৱিষ্ট কৰিবলৈ দিলোঁ।

- তুমি ক'ৰপৰা যাত্ৰাটো আৰম্ভ কৰিলা?
- কি বাহন ব্যৱহাৰ কৰিলা?
- যাত্ৰাটোৰে কিমান সময় ল'লে? ঋতু সলনি হোৱাৰ লগত যাত্ৰাৰ সময় দীঘলীয়া বা চমু হ'ব পাৰে নেকি?
- ৰাস্তাটোত তোমাৰ ভাল লগা ঠাইসমূহ কোনবোৰ?
- তুমি সচৰাচৰ কাক দেখা?
- তুমি কাৰ সৈতে কথা পাতা? তেওঁলোকৰ লগত কথা পাতোতে তুমি কি ভাষাত কথা পাতা?

বিদ্যালয়ৰ ভাষাতেই হওক বা ঘৰুৱা ভাষাতেই হওক মোৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই কিন্তু যথেষ্ট কথা-বতৰাৰে অংশগ্ৰহণ কৰা দেখা গৈছিল। অৱশেষত, শ্ৰেণীটোত কোন ল'ৰা-ছোৱালী বেছি দূৰৰ পৰা আহে, তেওঁলোকৰ মাজত কোনে বেছি মানুহৰ লগত কথা-বতৰা পাতে আৰু বিদ্যালয়লৈ আহোঁতে কোনে কোনে ইজনে-সিজনক লগ পায় এই কথাবোৰ উলিয়াইছিলোঁ।

### **চিন্তন** (Pause for thought)

- দলীয় আলোচনাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক কি পদ্ধতিৰে মাণিক বৰাই সংগঠিত কৰিব পাৰিলেহেঁতেন?
- আলোচনাৰ পাছত কৰিব পৰাকৈ কেনেকুৱা কামৰ কথা আপুনি ভাবিব পাৰে?

দল গঠন কৰোঁতে একে ধৰণৰ ঠাইত থকা ছাত্ৰ-ছাত্ৰী নাইবা একেলগে ঘূৰাফিৰা কৰা ছাত্ৰ-ছাত্ৰীৰ নাইবা সানমিহলি কৰি দল গঠন কৰিব পাৰে।

তলত দিয়া পৰামৰ্শবোৰ ক্ৰিয়া-কলাপত অন্তৰ্ভুক্ত কৰিব পাৰে ঃ

- ছাত্ৰ-ছাত্ৰীয়ে ৰাস্তাত দেখা কিবা বস্তুৰ চিত্ৰ অংকণ।
- তেওঁলোকৰ যাত্ৰাৰ এখন বিস্তৃত লেখ মানচিত্ৰ অংকন কৰাব পাৰে।
- তেওঁলোকৰ যাত্ৰাৰ বিৱৰণ লিখাব পাৰে।
- তেওঁলোকৰ যাত্ৰাৰ বিষয়ে এটি কবিতা লিখাব পাৰে।
- ছাত্ৰ-ছাত্ৰীসকলৰ স্কুল যাত্ৰাৰ সাদৃশ্য আৰু বৈসাদৃশ্যবোৰৰ মাজৰ বিশ্লেষণেৰে শ্ৰেণীতে এটা প্ৰকল্পৰ কাম হাতত ল'ব পাৰে।

এই ক্ৰিয়া-কলাপটোলৈ কেইমাহ মানৰ পাছত ঘূৰি গৈ পুনৰ সম্প্ৰসাৰিত ৰূপত কৰাব পাৰে আৰু তেওঁলোকৰ এই যাত্ৰাত কি পৰিৱৰ্তন হৈছে সুধিব পাৰে। এই কথাটো এনেকুৱা হ'ব লাগে যে, ৰাস্তাটো ভাল হৈছে, নতুন দালান ঘৰ হৈছে, নাইবা তেওঁলোকে লগ পোৱা মানুহবোৰ সলনি হৈছে। তাৰোপৰি, শস্যবোৰ বাঢ়ি আহিছে, নাইবা বতৰৰ ফলমূল লাগিছে, ৰাস্তাৰ একাংশ চাফা হৈছে ইত্যাদি।

## ৪) সাৰাংশ (4 Summary)

আপোনাৰ বিদ্যালয়ৰ পাঠ্যপুথিত ভাষা আৰু সাক্ষৰতাৰ কাৰ্যত জ্ঞান বৃদ্ধিৰ বাবে কেনেকৈ পৰ্যাপ্ত পৰিমাণৰ সমল পৰিপূৰক হিচাপে ব্যৱহাৰ কৰিব তাকেই এই গোটটোত কৰি দেখুওৱা হৈছে। এই সমলবোৰে ছপা, কথন বা স্থানীয় স্থান সকলোবোৰকে সামৰি ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ বাবে অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰি অভিৰোচনৰ সুযোগ ল'ব পাৰে। স্থানীয় সমলৰ সংখ্যা বঢ়াই শ্ৰেণীৰ উপৰি অতিৰিক্ত সময়ত এইবোৰ ব্যৱহাৰ কৰিলে দেখিব যে, আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্বাসযোগ্য আৰু অৰ্থপূৰ্ণভাৱে পাঠত মনোনিৱেশ কৰাৰ উপৰি বিদ্যালয়ৰ বাহিৰতো ইয়াৰ বিষয়ে আলোচনা কৰিছে।

# সমলসমূহ (Resources)

## সমল ১ ঃ স্থানীয় সমল ব্যৱহাৰ (Resource 1: Using local resources)

কেৱল মাত্র পাঠ্যপুথিয়েই নহয়, শিক্ষনত বহুতো শিকন সমল ব্যৱহাৰ কৰিব পাৰি। বেলেগ বেলেগ সংবেদন (চাক্ষুস, শ্রৱণ, স্পৰ্শ, গোন্ধ, স্বাদ) ব্যৱহাৰ কৰি যদি ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ উপায় উলিয়াই লয় তেন্তে আপুনি বহু উপায় বিচাৰি পাব। আপুনি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পৰাকৈ আপোনাৰ চৌপাশে বহুতো সমল আছে আৰু সেইবোৰে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকনত যথেষ্ট সমৰ্থন দিব। কোনো খৰছ নোহোৱাকৈ যিকোনো বিদ্যালয়েই নিজা শিকন সমল যোগাৰ কৰিব পাৰে। স্থানীয়ভাৱে এই সমলবোৰ গোটাব লাগে আৰু পাঠ্যত্র ম আৰু ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত সংগতি থকা হ'ব লাগে। কোনো বিষয়ত বিস্তৃত জ্ঞান থকা আৰু আপুনি ওচৰতে পোৱা মানুহ বিচাৰি ল'ব আৰু লগতে যথেষ্ট পৰিমাণে প্ৰাকৃতিক সমলো যোগাৰ কৰিব। ইয়ে আপোনাক স্থানীয় সমাজৰ লগত যোগাযোগ কৰাত সহায় কৰিব পাৰে, ইয়াৰ মূল্য প্ৰদৰ্শন কৰিব পাৰে, নিজৰ পৰিৱেশৰ বিচিত্ৰতা আৰু আপুৰুগীয়া গুণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক উদ্দীপিত কৰিব পাৰে। বিদ্যালয়ৰ ভিতৰতে হওক বা বাহিৰতেই হওক ছাত্ৰ-ছাত্ৰীৰ শিকনত এই সমলবোৰে গুৰুত্বপূৰ্ণভাৱে কাম কৰিব পাৰে।

### শ্ৰেণীকোঠাটো আটক ধুনীয়াকৈ সজাওক (Making the most of your classroom)

মানুহে নিজৰ ঘৰটো যিমান পাৰি সুন্দৰকৈ সজাবলৈ বহু কষ্ট কৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি পৰিৱেশত শিকিব লাগিব, সেই বিষয়ে আপুনি ভবা উচিত। আপুনি শ্ৰেণীকোঠা আৰু বিদ্যালয়খন আকৰ্ষণীয়কৈ সজাবলৈ যি কৰিব তাৰ এটা সদৰ্থক প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰিব। ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়খন আমোদজনক আৰু আকৰ্ষণীয় কৰি সজাবৰ বাবে আপোনাৰ যথেষ্ট সুবিধা আছে। উদাহৰণস্বৰূপে আপুনি —

- পুৰণা আলোচনী আদিৰ পৰা পোষ্টাৰ বনাব পাৰে
- পঢ়াই থকা বিষয়ৰ লগত সংগতি থকা বিভিন্ন হস্তশিল্পজাত বস্তু আৰু অন্যান্য সামগ্ৰী আনিব পাৰে
- ছাত্ৰ-ছাত্ৰীয়ে কৰা হাতৰ কামবোৰ সজাব পাৰে
- শ্ৰেণীকোঠাত প্ৰদৰ্শিত বস্তুবোৰ ইফাল-সিফাল কৰি ছাত্ৰ-ছাত্ৰীক নতুন শিকনৰ বাবে উৎসাহিত কৰিব পাৰে।

### আপোনাৰ শ্ৰেণীকোঠাত স্থানীয় পাৰ্গত লোকৰ সহায় (Using local experts in your classroom)

যদি আপুনি অংকৰ গণনা/সংখ্যা বা টকা পইচাৰ কথা শিকাইছে তেন্তে স্থানীয় কোনো পোছাক তৈয়াৰ কৰোঁতা বা দোকানীক শ্ৰেণীকোঠালৈ নিমন্ত্ৰণ দিয়ক। তেওঁলোকে কেনেকৈ নিজৰ কামত অংক ব্যৱহাৰ কৰে ব্যাখ্যা কৰিবলৈ অনুৰোধ কৰিব পাৰে। একেদৰে কলাত যদি নক্সা আৰু আকৃতিৰ বিষয়ে শিকাইছে তেন্তে আপুনি এগৰাকী মেহেন্দী আঁকা (বিয়াত) ব্যক্তি ক নিমন্ত্ৰণ কৰি আনি বিভিন্ন আকৃতি, নক্সা, চানেকি ইত্যাদিৰ বিষয়ে ব্যাখ্যা কৰিবলৈ দিব পাৰে। শিক্ষাৰ লক্ষ্য যেতিয়া প্ৰত্যেকৰ বাবে স্পষ্ট হৈ থাকে তেতিয়া এনেদৰে নিৰ্দিষ্ট সময়ৰ বাবে পাৰ্গত ব্যক্তি ক মাতি শিকা কথাটো খুউব ভাল হিচাপে প্ৰতিপন্ন কৰাব পাৰে।

বিদ্যালয় সমাজৰ ভিতৰতে আপুনি পাৰ্গত লোক পাব পাৰে (যেনে- ৰান্ধনী আৰু বিদ্যালয়ৰ চকীদাৰ), যিয়ে নিজৰ অভিজ্ঞতাক ছাত্ৰ-ছাত্ৰীৰ শিকনৰ লগত সংযুক্ত কৰিব পাৰে। উদাহৰণস্বৰূপে, কিমানজনৰ বাবে ৰান্ধিব লাগিব বা বতৰৰ অৱস্থাই কেনেকৈ বিদ্যালয় ভৱনত প্ৰভাৱ পেলাই সেইবিষয়ে তেওঁলোকৰ পৰা জানিব পাৰিব আৰু এইবোৰ কথাও শ্ৰেণীকোঠাৰ শিকন হ'ব পাৰে।

### বাহিৰৰ পৰিৱেশৰ ব্যৱহাৰ (Using the outside environment)

শ্ৰেণীকোঠাৰ বাহিৰতো পাঠত ব্যৱহাৰ কৰিব পৰাকৈ বহুতো সমল আছে। আপুনি বস্তুবোৰ গোটাব পাৰে নতুবা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো গোটাবলৈ ক'ব পাৰে। যেনে— গছৰ পাত, মকৰা, গছপুলি, পোকপৰুৱা, শিল বা কাঠ। বস্তুবোৰ গোটাই লৈ পাঠৰ প্ৰাসংগিকতা অনুযায়ী শ্ৰেণীত দেখুৱাই পাঠটো অধিক মনোগ্ৰাহী কৰি তুলিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনাৰ বাবে এই বস্তুবোৰ দিব পাৰে নাইবা শ্ৰেণীকাৰ্য হিচাপে এইবোৰৰ পৰীক্ষণ কাৰ্য অৰ্থাৎ, জীৱ থকা আৰু জীৱ নথকা বস্তুবোৰৰ শ্ৰেণীবিভাগ কৰিবলৈ দিব পাৰে। বছৰ, সময় নাইবা বিজ্ঞাপনৰ দৰেও সমল ল'ব পাৰে। বিজ্ঞাপনবোৰ যথেষ্ট পৰিমাণে পোৱা যায় আৰু স্থানীয় সমাজৰ-লোকসকলৰ লগতো প্ৰাসংগিক হয়। এইবোৰত থকা শব্দবোৰ চিনাক্ত কৰি সজাবলৈ দি এইবোৰক শিকন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব পাৰি, ইহঁতৰ গুণগত মান নাইবা যাত্ৰাৰ সময় হিচাপ কৰিও ইয়াক শিকন সামগ্ৰী হিচাপে কৰিব পাৰি। বাহিৰৰ বস্তু শ্ৰেণীকোঠালৈ আনিব পাৰি। সেইদৰে আপোনাৰ শ্ৰেণীকোঠাকো বাহিৰলৈ সম্প্ৰসাৰণ কৰিব পাৰি। ছাত্ৰ-ছাত্ৰীক বাহিৰলৈ নি বেছি শিকিব পৰাৰ সুবিধা দিয়াৰ বহু থল আছে—

শিকনৰ বাবে আপুনি যেতিয়া শ্ৰেণীটো বাহিৰত ল'ব, ছাত্ৰ-ছাত্ৰীসকলে এনেকুৱা কাম কৰিব পাৰে—

- দূৰত্বৰ জোখ-মাপ
- বৃত্ত এটাৰ কেন্দ্ৰৰ পৰা সকলোতে দূৰত্ব সমান বুলি প্ৰদৰ্শন কৰি পাৰে
- দিনটোৰ বেলেগ বেলেগ সময়ত ছাঁৰ দীঘটো ৰেকৰ্ড কৰিব পাৰে
- নিৰ্দেশ আৰু সংকেত গঠন
- সাক্ষাৎকাৰ আৰু জৰীপ পৰিচালনা
- সৌৰ ফলক চিনাক্ত কৰণ (Locating Solar Panels)
- শস্যৰ বৰ্দ্ধন আৰু বৰষুণ নিৰীক্ষণ

বাহিৰত তেওঁলোকৰ শিকন নিৰ্ভৰ কৰে বাস্তৱ অভিজ্ঞতাৰ ওপৰত আৰু হয়তো ই বেলেগ বিষয়লৈকো বদলি হ'ব পাৰে।

যদি আপোনাৰ বাহিৰৰ কামখিনি বিদ্যালয় চৌহদৰ পেলনীয়া বস্তুৰ লগত জড়িত, আপুনি যোৱাৰ আগতে বিদ্যালয় মুৰব্বীৰ পৰা অনুমতি লোৱাৰ প্ৰয়োজন; সময় ঠিক কৰক, নিৰাপত্তাৰ দিশটো চাই লওক আৰু ছাত্ৰ-ছাত্ৰীক নিয়ম স্পষ্টকৈ শুনাওক কি শিকিব লাগিব। এই বিষয়ে আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল স্পষ্ট হ'ব লাগিব।

## সমলবোৰ উপযোগী কৰি তোলক (Adapting resources)

ইতিমধ্যে থকা সমলবোৰক আপুনি ছাত্ৰ-ছাত্ৰীৰ বাবে অধিক উপযুক্ত কৰি ল'ব পাৰে। প্ৰয়োজন হ'লে সমলবোৰ অলপ সাল-সলনি কৰি ল'ব পাৰে। দেখাত কথাটো সামান্য যেন লাগিলেও ই এটা ডাঙৰ পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে, যদিহে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে ইয়াক শিকন হিচাপে দিবলৈ চেষ্টা কৰে। ঠাই আৰু মানুহৰ নাম অন্য ৰাজ্যৰ লগত সংগতি থকা হ'লে আপুনি সলাব পাৰে নাইবা গানত লিংগ পৰিৱৰ্তন ঘটাব পাৰে অথবা গল্পৰ জৰিয়তে শাৰীৰিকভাবে বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ লগত পৰিচয় কৰাব পাৰে। এনেদৰে আপুনি সমলবোৰ অধিক সংগঠিত আৰু সঠিকভাৱে শিকনৰ উপযোগী কৰি ল'ব পাৰে।

আপুনি অধিক দক্ষ হ'বৰ বাবে আপোনাৰ সহকৰ্মীৰ লগত কাম কৰক ঃ আপুনি সমল সৃষ্টি কৰাৰ বাবে যথেষ্ট কৌশল পাবলৈ সক্ষম হ'ব। এজন সহকৰ্মী সংগীতত কৌশলী হোৱাৰ বিপৰীতে আন এজন পুতলা বনোৱা বা বিজ্ঞানত কৌশলী হ'ব পাৰে। আপুনি আপোনাৰ শ্ৰেণীত ব্যৱহাৰ কৰা সমলসমূহ আপোনাৰ সহকৰ্মীৰ সৈতে বিনিময় কৰিব পাৰে যাতে বিদ্যালয়ত শিক্ষণৰ বাতাবৰণ সৃষ্টি কৰাত সকলোৱে অৰিহণা যোগায়।

# Additional resources

- Gillis, C. (1991) *The Community as Classroom: Integrating School and Community Through Language Arts*. Portsmouth, NH: Boynton/Cook. This activity-filled book suggests ways that students can develop their language skills through community-based learning experiences.
- Kenner, C. (2000) *Home Pages: Literacy Links for Bilingual Children*. London: Trentham Books.
- National Council of Teachers in English (NCTE) (undated) 'Supporting linguistically and culturally diverse learners in English education' (online). Available from: http://www.ncte.org/cee/positions/diverselearnersinee.
- Prior, J. and Gerard, M.R. (2004) *Environmental Print in the Classroom: Meaningful Connections for Learning to Read*. Newark, DE: International Reading Association.
- Siegel, M. (2006) 'Rereading the signs: multimodal transformations in the field of literacy education', *Language Arts*, vol. 84, no. 1, pp. 65–77.
- Moll, L.C., Amanti, C., Neff, D. and Gonzalez, N. (1992). 'Funds of knowledge for teaching: using a qualitative approach to connect homes and classrooms', *Theory into Practice*, no. 31, pp. 132–41.
- Azim Premji Foundation's research studies: http://www.azimpremjifoundation.org/Research_Studies

# References/bibliography

Center for Ecoliteracy (undated) 'Teach: place-based learning' (online). Available from: http://www.ecoliteracy.org/strategies/place-based-learning (accessed 18 November 2014).

Promise of Place (undated) 'Research & evaluation' (online). Available from: http://www.promiseofplace.org/Research_Evaluation (accessed 18 November 2014).

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: various images made available in Flickr under http://creativecommons.org/licenses/by/4.0/.

Figure 2: © Peter Grima in Flickr made available under https://creativecommons.org/licenses/by-sa/2.0/deed.en_GB.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.